**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। প্ৰধানমন্ত্ৰীৰ নামৰূপৰ সভাস্থলী পৰিদৰ্শন কৰি মন্ত্ৰী, বিধায়ক তথা শীৰ্ষ চৰকাৰী বিষয়াৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পৰ্যালোচনা বৈঠক।

২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কাইলৈ আদালতত এছ আই টিৰ অভিযোগনামা।

৩। ভূমি বিক্ৰীৰ ক্ষেত্ৰত খিলঞ্জীয়া লোকসকলক সাৰধান হ'বলৈ মুখ্যমন্ত্ৰীৰ আহ্বান।

৪। ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠানত খালী হৈ থকা স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ সবিশেষ তালিকা ২০ ডিচেম্বৰৰ ভিতৰক দাখিলৰ বাবে বিদ্যালয় পৰিদৰ্শকক নিৰ্দেশ। **আৰু**

৫। চণ্ডীগড়ত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাগত অসম ভ্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক তথা শীৰ্ষ বিষয়াৰ সৈতে যাৱতীয় প্ৰস্তুতি সন্দৰ্ভত আলোচনাত মিলিত হয়। ডং শৰ্মাই লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২১ ডিচেম্বৰত নামৰূপত অংশ ল'বলগীয়া জনসভাৰ স্থলী পৰিদৰ্শন কৰি সবিশেষ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীগৰাকীয়ে সেইদিনা নামৰূপত ১২ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ **এমোনিয়া ইউৰীয়া প্ৰকল্প**ৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পই ৰাজ্যখনৰ ঔদ্যোগিক আৰু সামাজিক ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপৰ সূচনা কৰি সাৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰে অৰ্থনীতিত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি বিয়লি নামৰূপত ভাৰতীয় জনতা পাৰ্টিৰ নাহৰকটীয়া সমষ্টিৰ জয়পুৰ মণ্ডলৰ এটা কাৰ্যালয় ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মন্ত্ৰী পীযূষ হাজৰিকা, প্ৰশান্ত ফুকন, বিধায়ক তৰংগ গগৈ, তেৰছ গোৱালায়ো এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

ইপিনে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত ডিব্ৰুগড়ৰ ফুলবাগানৰ পুৰণি চৰকাৰী উচ্চ মাধ্যমিক বালক বিদ্যালয় খেলপথাৰত চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত চাইকেল বিতৰণ কৰিব। এই আঁচনিৰ দ্বাৰা ৩ লাখ ১০ হাজাৰৰো অধিক শিক্ষাৰ্থী লাভান্বিত হ'ব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক উপস্থিত থাকিব।

০০০০০০

অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোটে জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কাইলৈ আদালতত অভিযোগনামা দাখিল কৰিব। অভিযোগনামা দাখিলৰ নিৰ্ধাৰিত সময়সীমা ১৮ ডিচেম্বৰত উকলি যাব যদিও ছদিন পূৰ্বেই অভিযোগনামা দাখিল কৰা হ'ব। বিশেষ তদন্তকাৰী গোটৰ মুৰব্বী তথা বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই ইতিমধ্যে কাইলৈ অভিযোগনামা দাখিল কৰা হ'ব বুলি আনুষ্ঠানিকভাৱে প্ৰকাশ কৰিছে। বিষয়াগৰাকীয়ে সদৰি কৰা মতে তদন্ত প্ৰক্ৰিয়া প্ৰায় শেষ পৰ্যায়ত উপনীত হৈছে আৰু এতিয়ালৈ তিনি শতাধিক লোকৰ ভাষ্য গ্ৰহণ কৰা হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত চি আই ডিত ৰুজু হোৱা ১৮/২০২৫ নম্বৰৰ গোচৰটোৰহে অভিযোগনামা আদালতত দাখিল কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। এই ঘটনা সন্দৰ্ভত ৰুজু হোৱা ১৯/২০২৫ নম্বৰৰ দ্বিতীয়টো গোচৰৰ তদন্ত অব্যাহত থাকিব বুলি শ্ৰীগুপ্তাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজন কৰা শ্যামকানু মহন্তৰ বিত্তীয় অনিয়মৰ অভিযোগ সন্দৰ্ভত সম্পূৰ্ণ পৃথককৈ তদন্ত কৰা হৈছে আৰু ইয়াৰ সৈতে মৃত্যুৰ গোচৰটোৰ সম্পৰ্ক নাই।

০০০০০০

অচিনাকী মানুহক মাটি বিক্ৰী কৰিলে জাতিটোৰ ভৱিষ্যত পংগু হৈ পৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক সতৰ্কবাণী শুনাইছে। জাতিটোক জীয়াই ৰাখিবলৈ নিৰন্তৰ সংগ্ৰাম কৰি যাব লাগিব বুলি উল্লেখ কৰি আৰ্থিক অসুবিধা হ'লেও অচিনাকী মানুহক মাটি বিক্ৰী নকৰিবলৈ আৰু ব্যৱসায়, উদ্যোগ আদিত অচিনাকী মানুহক নিয়োগ নকৰিবলৈ মুখ্যমন্ত্ৰীয়ে ৰাজ্যবাসীক আহ্বান জনাইছে। ৰাজ্যৰ অৰ্থনীতি, মাটি, সংস্কৃতি আনৰ হাতত এৰি দিয়া জাতিৰ বহ্নিমান শিখা নিৰ্বাপিত হ'বলৈ বেছি সময় নালাগে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কালি নিজৰ জাতি, মাটি আৰু ভেটি ৰক্ষাৰ বাবে ৰাজ্যখনৰ সকলো খিলঞ্জীয়া লোককে সজাগ সচেতন হ'বলৈ আহ্বান জনায়। ভূমি ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কঠোৰ আইনৰ ব্যৱস্থা কৰিব বুলি উল্লেখ কৰি বিধানসভাত শীঘ্ৰেই এনে আইন উত্থাপন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

গুৱাহাটীৰ বৰাগাঁৱত কালি অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ স্মৃতিত নিৰ্মাণ কৰা ছহিদ স্মাৰক উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে এইদৰে কয়—

**বাইট (চি এম)**

উল্লেখযোগ্য যে ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদৰ স্মৃতিত শ্ৰদ্ধা জনাই কালি ৰাজ্যজুৰি ছহিদ দিৱস পালন কৰা হয়। ছহিদ দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰি মুঠ ৮৬০ গৰাকী ছহিদৰ বহুসংখ্যকৰে প্ৰতিচ্ছবি সংৰক্ষণ কৰা হৈছে আৰু তেওঁলোকৰ আত্মবলিদানৰ বিষয়ে খোদিত কৰা হৈছে।

মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি পশ্চিম বৰাগাঁৱত নিৰ্মিত এই ছহিদ স্মাৰক ক্ষেত্ৰ উদ্বোধন কৰে। তেওঁ লগতে স্মাৰক ক্ষেত্ৰত থকা ছহিদ প্ৰণাম জ্যোতিত অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত আত্মবলিদান দিয়া মহান ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। অসম আন্দোলনৰ ৮৬০ গৰাকী জাতীয় ছহিদৰ স্মৃতিত ১৭০ কোটি টকা ব্যয়েৰে ১৫০ বিঘাৰো অধিক ভূমি সামৰি এই স্মাৰক ক্ষেত্ৰ আৰু ছহিদ স্তম্ভ সাজি উলিওৱা হৈছে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে অসমৰ অস্তিত্ব সুৰক্ষাৰ অগ্ৰগামী যাত্ৰাৰ সেনানীসকলক স্মৰণ কৰি তেওঁলোকে দেখা সপোন ৰাজ্য চৰকাৰে পূৰণ কৰিবলৈ প্ৰয়াস কৰিছে বুলি প্ৰকাশ কৰে। বৰাগাঁৱত ৰাজ্য চৰকাৰে নিৰ্মাণ কৰি উলিওৱা ছহিদ স্মাৰকৰ নিৰ্মাণশৈলী সন্দৰ্ভত স্থপতিবিদ তপোব্ৰত দত্তই এইদৰে কয়–

**বাইট (তপোব্ৰত দত্ত)**

০০০০০০

ৰাজ্যৰ শিক্ষা বিভাগে স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে শীঘ্ৰেই নতুন বিজ্ঞাপন প্ৰকাশ কৰিব। ইয়াৰ বাবে ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠানত খালী হৈ থকা স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ সবিশেষ তালিকা দাখিলৰ বাবে মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজাইয়ে প্ৰতিখন জিলাৰ বিদ্যালয় পৰিদৰ্শকসকলক নিৰ্দেশ দিছে। ২০২৬ চনৰ ৩১ মাৰ্চৰ ভিতৰত একাংশ শিক্ষক-শিক্ষয়িত্ৰীৰ অৱসৰ গ্ৰহণৰ পাছত খালী হ'বলগীয়া পদসমূহৰ সবিশেষ তথ্যও দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। অহা ২০ ডিচেম্বৰৰ ভিতৰত এই প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ মাধ্যমিক শিক্ষা সঞ্চালকে নিৰ্দেশ দিছে।

ইপিনে, চলিত মাহৰ ভিতৰতে ৰাজ্যৰ প্ৰতিখন জিলাত নৱনিযুক্ত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ যোগদান প্ৰক্ৰিয়া সম্পন্ন হ'ব। ইয়াৰ বাবে কাইলৈৰ পৰা পৰ্যায়ক্ৰমে জিলাভিত্তিক নিৰ্দিষ্ট শিক্ষানুষ্ঠানৰ বিপৰীতে নিযুক্তিপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীৰ তালিকা প্ৰকাশ কৰা হ'ব। বিদ্যালয় শিক্ষা বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে যোৱা ১৩ নৱেম্বৰত ৰাজ্য চৰকাৰে নিযুক্তি পত্ৰ প্ৰদান কৰা এই শিক্ষক-শিক্ষয়িত্ৰীসকলে নিৰ্দিষ্ট পদৰ বিপৰীতে যোগদানৰ সুবিধা লাভ কৰিব। মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ইতিপূৰ্বে জাৰি কৰা নিৰ্দেশনা অনুসৰি নিযুক্তিপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীৰ বিপৰীতে  নিৰ্দিষ্ট শিক্ষানুষ্ঠানৰ নাম প্ৰতিখন জিলা আয়ুক্তৰ অধ্যক্ষতাত গঠিত উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে চূড়ান্ত কৰিছে। কাইলৈ মাজুলী জিলাত নিযুক্তি লাভ কৰা শিক্ষক-শিক্ষয়িত্ৰীৰ নামৰ বিপৰীতে শিক্ষানুষ্ঠানৰ নাম প্ৰকাশ কৰা হ'ব। একেদৰে ১৬ ডিচেম্বৰত গোৱালপাৰা জিলাৰ বাবে অনুৰূপ তালিকা প্ৰকাশ পাব।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ উদ্যোগত ডিব্ৰুগড়ৰ মোহনবাৰী বায়ুসেনা ঘাটিত কালি আয়োজিত বিজয় দিৱসৰ কাৰ্যসূচীত বায়ু সেনা বাহিনীৰ মুৰব্বী এয়াৰ ছীফ মাৰ্চেল অমৰপ্ৰীত সিং মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত বায়ু সেনা বাহিনীৰ মুৰব্বীগৰাকীয়ে এই আয়োজনক অত্যন্ত গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰি কয়, যে এই দিৱসে ১৯৭১ চনৰ ভাৰত-পাকিস্তানৰ যুদ্ধত ভাৰতীয় সেনা-জোৱানসকলৰ পৰাক্ৰম আৰু ত্যাগৰ প্ৰতি দেশবাসীয়ে জনোৱা শ্ৰদ্ধাক প্ৰতিফলিত কৰে।

**বাইট**

তেওঁ কয়, যে অপাৰেছন সিন্দূৰ এতিয়াও অব্যাহত আছে আৰু  ভাৰতীয় বায়ু সেনা বাহিনী যিকোনো বহিঃ শত্ৰুৰ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ সম্পূৰ্ণৰূপে সাজু। কালি এই অনুষ্ঠানত এয়াৰ শ্ব' প্ৰদৰ্শন কৰা হয়। এয়াৰ শ্ব'ত ছুখয়, এন্তন'ভ, এন -32 পৰিবহণ বিমান, চিনুক, হেভিলীড হেলিকপ্তাৰ আৰু মীগ ১৭ হেলিকপ্তাৰে উৰণ কৌশল প্ৰদৰ্শন কৰে। ১৯৭১ চনৰ যুদ্ধত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ঐতিহাসিক জয়ৰ চিনস্বৰূপে বায়ু সেনা বাহিনীৰ ইষ্টাৰ্ণ কমাণ্ডাৰ মুখ্য কাৰ্যালয়ে আয়োজন কৰা এই দিৱসৰ অনুষ্ঠানত প্ৰাক্তন সৈনিক, স্কুলীয়া শিক্ষাৰ্থী আৰু ভালেসংখ্যক অসামৰিক লোকে অংশগ্ৰহণ কৰে।

০০০০০০

মাজুলীৰ চৰাইচোঙত পক্ষী সন্দৰ্ভত অধ্যয়ন আৰু গৱেষণাৰ বাবে এটা পক্ষী গৱেষণা কেন্দ্ৰ স্থাপন কৰা হ'ব। স্বেচ্ছাসেৱী সংগঠন মাজুলীৰ সাহিত্যৰ উদ্যোগত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত চৰাইচোং মহোৎসৱৰ

সামৰণি অনুষ্ঠানত কালি সংগঠনটোৰ কৰ্তৃপক্ষই এই বিষয়ে প্ৰকাশ কৰে। ৩৯০ বছৰীয়া ইতিহাস সমৃদ্ধ এই চৰাইচোঙত ১৬৩৩ খ্ৰীষ্টাব্দত স্বৰ্গদেউ প্ৰতাপ সিংহই চৰাইচোং আৱিষ্কাৰ কৰি ৰাঙলী বাহৰ পাতি চৰাইৰ যুঁজ উপভোগ কৰিছিল। এই ইতিহাসত পুনৰুজ্জীৱিত কৰাৰ বাবে পৰিভ্ৰমী পক্ষীৰ আগমনস্থলী চৰাইচোঙক কেন্দ্ৰ কৰি এই উৎসৱ উদযাপন কৰি অহা হৈছে। কালি উৎসৱৰ মুখ্য আকৰ্ষণ চৰাইচোং বঁটা বিশিষ্ট বিজ্ঞানী ড° প্ৰবাল শইকীয়াক প্ৰদান কৰা হয়। তদুপৰি পৰিমিতা দাস সোঁৱৰণী শিক্ষাগুৰু বঁটা তেজপুৰ বিশ্ববিদ্যালয়ৰ ড° ৰবীন কুমাৰ দত্তক আৰু দেহিৰাম বৰা, সৰু ছোৱালী বৰা সোঁৱৰণী বঁটা জিতেন দোলাকাষৰীয়াক প্ৰদান কৰা হয়। এই অনুষ্ঠানতে মাজুলীৰ সাহিত্যৰ সভাপতি কমল দত্তই চৰাইচোঙক পৰ্যটন প্ৰকল্প হিচাপে গঢ়ি তোলাৰ বাবে মাজুলীৰ ৰবীন খাউণ্ডৰ পৰিয়ালে দুকঠা ভূমি দান কৰা বুলি প্ৰকাশ কৰে।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি নিউ চণ্ডীগড়ৰ মুল্লানপুৰত থকা মহাৰাজা যাদবিন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

এয়া হ'ব মুল্লানপুৰত পুৰুষৰ প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট খেল। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা মঙলবাৰে  কটকত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত আলহী দলটোক ১০১ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰি ইতিমধ্যে ১-০ ফলাফলেৰে অগ্ৰগতি লাভ কৰিছে। ভাৰতীয় দলটোৱে আজিৰ খেলখনতো জয়ৰ ধাৰা অব্যাহত ৰখাৰ বাবে আপ্ৰাণ প্ৰয়াস চলাব।

শৃংখলাৰ তৃতীয়খন খেল ধৰমশালাত, চতুৰ্থখন খেল লক্ষ্ণৌত আৰু পঞ্চম তথা অন্তিমখন খেল আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০০

অসম আন্দোলনৰ ছহিদসকলক স্মৰণ কৰাৰ উদ্দেশ্যে কালি সমগ্ৰ ৰাজ্যতে ছহিদ দিৱস পালন কৰা হয়। এই উপলক্ষে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নৱ নিৰ্মিত ছহিদ স্মাৰক ক্ষেত্ৰ উদ্বোধন কৰা হয়। **আমাৰ অসম, দি আছাম ট্ৰিবিউন** কাকতৰ লগতে আন আন কাকতসমূহেও এই বাতৰি আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অচিনাকি লোকক মাটি কাম নিদিবলৈ আহ্বান জনোৱাৰ বাতৰি দৈনিক **অগ্ৰদূত কাকতে** মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰাৰ লগতে আন আন কাকত সমূহে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিৰে **নিয়মীয়া বাৰ্তা** কাকতৰ শিৰোনাম- অসমৰ বৰঘৰত সোমাবলৈ নিদিব মিঞাক।

শ্বহীদ দিৱস উপলক্ষে অসম আন্দোলনত অংশগ্ৰহণকাৰী সকলোৰে শৌৰ্যক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে স্মৰণ কৰাৰ বাতৰি **দৈনিক অসম** আৰু **দ্য ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

শ্বহীদ দিৱসৰ অনুষ্ঠানত ৰাজ্যৰ হাজাৰ হাজাৰ লোকে শ্বহীদ প্ৰণামো তোমাক শীৰ্ষক গীত পৰিৱেশন কৰাৰ বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে।

ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাক ১৯১ সংখ্যক জন্মদিৱসত ৰাজ্যবাসীয়ে সশ্ৰদ্ধ সোঁৱৰণ কৰাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত শীৰ্ষ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

মহানগৰীৰ সাতমহলীয়া স্বাগতা স্কোৱেৰত প্ৰায় ২২ ঘণ্টা ধৰি অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হোৱাৰ বাতৰি **দ্য টাইমছ অব ইণ্ডিয়া** আৰু **অসমীয়া খবৰ** কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

oooooo

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে কামৰূপ জিলাত ই ভি এম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ আজিৰে পৰা অনুষ্ঠিত হৈছে। পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয় চৌহদত অৱস্থিত ই ভি এম গুডামঘৰত অহা ২৩ ডিচেম্বৰলৈ এই পৰীক্ষণ কৰা হ'ব। এই পৰীক্ষণ কাৰ্য কামৰূপ জিলাৰ নিৰ্বাচনী বিষয়াৰ অধীনৰ অধীনত সম্পন্ন হ'ব।

দৰং নিৰ্বাচনী জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ বাবেও আজি ইভিএম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ আৰম্ভ হৈছে। অহা ২৫ ডিচেম্বৰলৈকে চলিবলগীয়া এই পৰীক্ষণ তদাৰকৰ বাবে ১২ জনীয়া এটা অভিযন্তাৰ দল ইতিমধ্যে মঙলদৈত উপস্থিত হৈছে।

ooooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মণিপুৰ, মিজোৰাম আৰু মেঘালয়ক ডাঠ কুঁৱলীয়ে আৱৰি ৰখাৰ লগতে অৰুণাচল প্ৰদেশ, নাগালেণ্ড, ত্ৰিপুৰাত বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

ooooooo

**সমাপ্ত**